**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-06-2025
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
***Headlines***
**-------------------**

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১৮ খন জিলাৰ ৪ লাখ ৪০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। বিগত ২৪ ঘণ্টাত বানত কোনো লোকে প্ৰাণ হেৰুওৱা নাই বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। এই বানত ৰাজ্যখনৰ এহেজাৰ ৩০০ ৰো অধিক গাঁও ক্ষতিগ্ৰস্ত হৈছে আৰু প্ৰায় এহেজাৰ ৬০০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্য চৰকাৰে প্লাৱিত অঞ্চলসমূহত উদ্ধাৰ অভিযানৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীক নিয়োজিত কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি এতিয়াও ৪০ হাজাৰতকৈ অধিক লোকে ১৫৬ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ আছে। ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ কাচাৰ, হাইলাকান্দি, শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড় আৰু চৰাইদেউ জিলাত পাতলীয়াৰ পৰা মজলীয়া ধৰণৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলী বতৰা দিছে।

০০০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উজ্-জোহা আজি পালন কৰা হৈছে। এই উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত উৎসাহ-উদ্দীপনা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ঈদৰ নামাজৰ বাবে ঈদগাহসমূহ সজাই পৰাই তোলা হৈছে। সমাজত ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে আজি পুৱা ঈদৰ নামাজ পঢ়া হ'ব। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২০০ ৰো অধিক ঈদগাহত প্ৰায় ৪ লাখ লোকে ঈদৰ সমূহীয়া নামাজ পঢ়িব। ঈদৰ সময়ত কোনো ঠাইতে যাতে অপ্ৰীতিকৰ পৰিবেশৰ সৃষ্টি নহয় তাৰ বাবে জিলা প্ৰশাসনে ঈদ উদযাপন সমিতি আৰু আৰক্ষীৰ সৈতে এখন বৈঠকত মিলিত হয়। বিভিন্ন ঠাইৰ পৰা আহি কৰ্মসংস্থাপনৰ বাবে মহানগৰীত বসবাস কৰা বহুসংখ্যক লোকে ঈদ উপলক্ষে নিজ নিজ গৃহ চহৰলৈ যাত্ৰা কৰাৰ পৰিপ্ৰেক্ষিতত মহানগৰীৰ জালুকবাৰী, আদাবাৰী, আই এছ বি টিকে ধৰি বিভিন্ন স্থানত কালি যথেষ্ট ভিৰ পৰিলক্ষিত হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৱিত্ৰ ঈদ-উজ্-জোহা উপলক্ষে সমূহ ইছলামধৰ্মী লোকৰ লগতে অসমবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰে'ল যাত্ৰীসকলৰ সুবিধা হোৱাকৈ গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত প্ৰৱৰ্তন কৰা দ্বিসাপ্তাহিক জনশতাব্দী এক্সপ্ৰেছ ৰে'লগাড়ীখন সপ্তাহত ৬ দিনকৈ চলাবলৈ অসম ৰে'ল যাত্ৰী সন্থাই আহ্বান জনাইছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য যাত্ৰী পৰিবহন প্ৰবন্ধকলৈ লিখা এখন পত্ৰত ৰে'ল যাত্ৰী সংগঠনটোৱে

গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত এই জনশতাব্দী এক্সপ্ৰেছ প্ৰৱৰ্তনৰ বাবে ৰে'ল কৰ্তৃপক্ষৰ শলাগ লয়। সংগঠনটোৱে ৰে'ল গাড়ীখনৰ যথাযোগ্য ব্যৱহাৰৰ বাবে ইয়াক দৈনিক নহ'লেও অন্ততঃ সপ্তাহত ছদিনকৈ চলাচল কৰালে সমগ্ৰ উত্তৰপৰীয়া ৰাইজ উপকৃত হ'ব বুলি পত্ৰখনত উল্লেখ কৰে। সংগঠনটোৱে এই ৰে'লগাড়ীখনৰ উত্তৰ লখিমপুৰৰ পৰা কৰা যাত্ৰাৰ সময় আগুৱাই দিবলৈ আৰু গুৱাহাটীত উপস্থিত হোৱাৰ সময় মাজনিশা ১১ বাজি ২৫ মিনিটৰ পৰিৱৰ্তে সন্ধিয়া ৭ বজা কৰিবলৈকো এন এফ ৰে'লৱে কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত কালি ডিব্ৰুগড় জিলা কৃষি বিভাগৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত কিষাণোদয় এপ আৰু ৱেবছাইট আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত জিলা প্ৰশাসনে প্ৰস্তুত কৰা কিষাণোদয় এপ আৰু ৱেবছাইটৰ জৰিয়তে কৃষকসকলে বিভিন্ন তথ্য লাভ কৰাৰ সুবিধা হ'ব। কৃষি বিভাগৰ বিভিন্ন আঁচনিৰ অধীনত বিতৰণ কৰা বিভিন্ন বীজ, কৃষি সম্বন্ধিয় সা-সঁজুলিৰ সঠিক ব্যৱহাৰ, লাভালাভ আদিৰ তথ্য এই ৱেবচাইটত উপলব্ধ হ'ব। এই বৈঠকতে ডিব্ৰুগড় জিলা কৃষি বিভাগৰ পি এম-কিষাণ, আৰ কে ভি ৱাই আৰু এন এফ এছ এম আঁচনিৰ অধীনত জিলা পৰ্যায়ত কৃষক নিৰ্বাচন কৰা হয়। জিলা আয়ুক্তই **মাখনা** খেতিত গুৰুত্ব আৰোপ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰাৰ লগতে তৰমুজ আৰু মিলেট খেতিৰ প্ৰতি কৃষকসকলক আগ্ৰহী কৰি তুলিবলৈ পৰামৰ্শ আগবঢ়ায়। বৈঠকত দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰছ গোৱালা, ডিব্ৰুগড় জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱা, ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়কসকলৰ প্ৰতিনিধিৰ লগতে কিষাণোদয় এপ আৰু ৱেবছাইট প্ৰস্তুত কৰা পৰামৰ্শ দাতাকে ধৰি অন্যান্য বহু বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় জিলাত জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি **মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি-নগৰীয়াৰ** জিলা স্তৰৰ পৰ্যৱেক্ষণ সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত অসম চৰকাৰৰ শক্তি, দক্ষতা বিকাশ, নিয়োগ, উদ্যমিতা, স্বাস্থ্য-শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, দুলীয়াজান বিধানসভা সমষ্টিৰ বিধায়ক তেৰছ গোৱালা, ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী উপস্থিতি থাকে। এই বৈঠকত ডিব্ৰুগড় জিলাত আত্মসহায়ক গোটৰ মহিলা সদস্য সমূহৰ পৰা লাভ কৰা আবেদনসমূহৰ পৰীক্ষণৰ পাছত চূড়ান্ত বুলি বিবেচিত হোৱা আবেদনসমূহ জিলা স্তৰৰ পৰ্যৱেক্ষণ কমিটিয়ে অনুমোদন জনায়। এই বৈঠকত জিলা প্ৰশাসনৰ বহু বিষয়ববীয়া, ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰীৰ দ্বাৰা মনোনিত সদস্যসকল, ডিব্ৰুগড় পৌৰ নিগম তথা চাবুৱা, নাহৰকটীয়া আৰু নামৰূপ পৌড় সভাৰ কাৰ্যবাহী বিষয়াসকল তথা ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ সামূহিক সংগঠকসকল উপস্থিত থাকে।

০০০০০০

সমাপ্ত